**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 14-06-2026**
**Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**
**:::::::::::::::::::::::::::::::::::::::::::::**

অহা আগষ্টৰ প্ৰথম সপ্তাহৰ পৰা হিতাধিকাৰীসকলে অৰুণোদয় আঁচনিৰ ধন পুনৰ নিয়মিতভাৱে লাভ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে আজি ফেচবুক লাইভযোগে এই কথা প্ৰকাশ কৰে। তদুপৰি সুলভ মূল্যত চেনী, ডাইল আদিও আগষ্টৰ পৰাই জনসাধাৰণে লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। এই সন্দৰ্ভত জুলাইত উত্থাপন হ'বলগীয়া পূৰ্ণাংগ বাজেটত সবিশেষ উল্লেখ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

বাইট- মুখ্যমন্ত্ৰী

ড০ শৰ্মাই কয় যে গুৱাহাটীৰ ৰিং ৰোডৰ নিৰ্মাণকাৰ্য আৰম্ভ হৈছে আৰু কাজিৰঙাৰ এলিভেটেড কৰিড'ৰৰ নিৰ্মাণৰ বাবে নিবিদা প্ৰক্ৰিয়া আৰম্ভ হৈছে। অহা এমাহৰ ভিতৰত নুমলীগড় আৰু গহপুৰৰ মাজৰ ১৮ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ সুৰংগ নিৰ্মাণৰ বাবে নিবিদা প্ৰক্ৰিয়া অহা মাহৰ ভিতৰত আৰম্ভ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। উন্নয়নমূলক সকলো কাম-কাজ আগবঢ়াই নিয়াৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে জনসাধাৰণৰ সহায়-সহযোগিতা কামনা কৰে।

০০০

বিশ্ব ৰক্তদাতা দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত স্বেচ্ছাসেৱী সংস্থাসমূহৰ উদ্যোগত ৰক্তদান শিবিৰ অনুষ্ঠিত হয়। শ্ৰীভূমি জিলাৰ নিলাম বজাৰত ৰুদ্ৰাক্ষ সামাজিক আৰু সাংস্কৃতিক সংস্থাৰ উদ্যোগত ৰক্তদান শিবিৰ সফলভাৱে অনুষ্ঠিত হয়। এই শিবিৰত অঞ্চলটোৰ বহু যুৱক-যুৱতী আৰু সমাজসেৱীয়ে স্বেচ্ছাই ৰক্তদান কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি বিশিষ্ট ব্যক্তিসকলে যুৱক-যুৱতীসকলক উৎসাহিত কৰাৰ লগতে তেওঁলোকক নিয়মীয়াকৈ ৰক্তদান কৰি বিভিন্ন লোকৰ জীৱন ৰক্ষা কৰিবলৈ আহ্বান জনায়। আজিৰ শিবিৰত সংগ্ৰহ কৰা ৰক্ত জৰুৰী চিকিৎসাজনিত প্ৰয়োজনত ব্যৱহাৰ কৰা হ'ব বুলি সংস্থাটোৰ সদস্যসকলে প্ৰকাশ কৰে।

ডিব্ৰুগড় জিলাতো আজি নাহৰণি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উদ্যোগত আৰু জিলা স্বাস্থ্য সমিতি তথা অসম চিকিৎসা মহাবিদ্যালয়ৰ ব্লাড বেংকৰ সহযোগত এটা ৰক্তদান শিবিৰ অনুষ্ঠিত কৰা হয়। এই শিবিৰত চি আই এছ এফ, আৰক্ষী, স্থানীয় যুৱক তথা চিকিৎসালয়ৰ কৰ্মচাৰীসকলে ৰক্তদান কৰে।

০০০

গুৱাহাটীৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পৰ মূল প্ৰেক্ষাগৃহত আজি গণশিল্পী দিলীপ শৰ্মাৰ জন্ম শতবৰ্ষৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত হয়। গণশিল্পী দিলীপ শৰ্মা জন্ম শতবৰ্ষ উদযাপন সমিতিৰ উদ্যোগত আয়োজিত অনুষ্ঠানত মূল কাৰ্যসূচীৰ পূৰ্বে দিলীপ শৰ্মাৰ জীৱন আৰু কৰ্মৰ ভিত্তিত ৰজিত দাসে পৰিচালনা আৰু কবীন সাউদে প্ৰযোজনা কৰা এখন তথ্যচিত্ৰ প্ৰদৰ্শন কৰা হয়। আজিৰ অনুষ্ঠানত শতবৰ্ষ উদযাপন সমিতিৰ সভাপতি কীৰ্তিকমল ভূঞা,

পুলক বেনাৰ্জী, নয়ন প্ৰসাদ, ড০ সীতানাথ লহকৰ, ইছফাকুৰ ৰহমানকে ধৰি বহু শিল্পী-সাহিত্যিক আৰু গুণমুগ্ধই শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। বছৰজোৰাকৈ আয়োজিত এই কাৰ্যসূচীৰ সামৰণি অনুষ্ঠানত কীৰ্তিকমল ভূঞাই ৰচনা কৰা আৰু ঘণকান্ত ডেকাই সুৰ দিয়া শীৰ্ষ গীতটি প্ৰায় ৭৫ গৰাকী শিল্পীয়ে সমবেত কণ্ঠত পৰিবেশন কৰে। সংস্কৃতিক কাৰ্যসূচীৰ আৰম্ভণিতে গণশিল্পী দিলীপ শৰ্মা ৰচনাৱলী আৰু শতবৰ্ষ উপলক্ষে যুগুতোৱা এখন স্মৰণিকা উন্মোচন কৰা হয়। অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন জিলাৰ পৰা অহা সাংস্কৃতিক সংগঠনৰ উপৰি গুৱাহাটীৰ ভালেকেইটা অনুষ্ঠানেও নৃত্য-গীত পৰিবেশন কৰে। গণশিল্পীগৰাকীৰ নিৰ্বাচিত গীতক লৈ ড০ পৰমানন্দ মজুমদাৰৰ ৰচনাৰে অনুপম চৌধুৰীৰ পৰিকল্পনা আৰু পৰিচালনাত লুইতৰে পানী যাবি ঐ বৈ শীৰ্ষক এখনি আলেখ্য পৰিবেশন কৰা হয়।

০০০

ভ্ৰাম্যমান নাট্যদল আৱাহন থিয়েটাৰৰ প্ৰতিষ্ঠাপক তথা ৰাজ্য চৰকাৰৰ অসম সৌৰভ বঁটা প্ৰাপক কৃষ্ণ ৰয়ৰ ৮৬ সংখ্যক জন্মদিন আৰু সমাগত আন্তৰ্জাতিক যোগ দিৱসৰ সৈতে সংগতি ৰাখি আজি পাঠশালাত বজালী জিলাভিত্তিক যোগাসন প্ৰতিযোগিতা অনুষ্ঠিত হয়। আধুনিক ব্যস্ততাপূৰ্ণ জীৱনশৈলীত মানুহক শাৰিৰীক আৰু মানসিকভাৱে সুস্থ সবল কৰি ৰখাত যোগৰ গুৰুত্ব সম্পৰ্কে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ লক্ষ্যৰে আৱাহন শৈক্ষিক প্ৰতিষ্ঠানৰ উদ্যোগত এই যোগাসন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। কেইবাটাও শাখাত অনুষ্ঠিত প্ৰতিযোগিতাত জিলাখনৰ বিভিন্ন ঠাইৰ ৮৫গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকি বজালীৰ বিধায়ক ধৰ্মেশ্বৰ ৰয়ে প্ৰতিযোগীসকলক উৎসাহিত কৰাৰ লগতে এনে কাৰ্যসূচীৰ আয়োজন কৰাৰ বাবে আয়োজকসকলৰ প্ৰশংসা কৰে। বিশ্বজুৰি যোগৰ জনপ্ৰিয়তা বৃদ্ধিৰ লগে লগে নৱপ্ৰজন্মকো ইয়াৰ সৈতে জড়িত কৰি সুস্থ, শৃংখলাবদ্ধ তথা মানসিকভাৱে শক্তিশালী সমাজ গঢ়ি তোলাৰ বাবে এনে পদক্ষেপ অতি প্ৰয়োজনীয় বুলি বিধায়কগৰাকীয়ে উল্লেখ কৰে।

০০০

অহা ২১ জুনত হ'বলগীয়া দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ সৈতে সংগতি ৰাখি যোৰহাট জিলা প্ৰশাসনৰ উদ্যোগত জিলা যোগ কেন্দ্ৰত আজি জিলাভিত্তিক যোগ প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত ১০ৰ পৰা ৩৫ বছৰ উৰ্ধৰ চাৰিটা শাখাত ভালেসংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে।

০০০

আই চি চি টি-২০ মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি বাৰ্মিংহামৰ এজবেষ্টনত অনুষ্ঠিত এখন খেলত ভাৰতে পাকিস্তানত জয়ৰ বাবে ১৭১ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। আমালৈ বাতৰি অহাৰ পৰলৈ পাকিস্তানে ৫ অভাৰত ১টা উইকেট হেৰুৱাই ৩৯ ৰাণ কৰি খেলি আছে। ইয়াৰ পূৰ্বে ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৭০ ৰাণ সংগ্ৰহ কৰে। স্মৃতি মান্ধানাই সৰ্বাধিক ৬৮ আৰু দলৰ অধিনায়ক হৰমপ্ৰীত ক'ৰে ৩৬ ৰাণ কৰে।

০০০

ঃঃ সমাপ্ত ঃঃ